# অসম গণিত শিক্ষায়তনৰ সংবাদ:

## শোণিতপুৰ জিলা শাখাৰ প্ৰতিবেদন:

**ক)** ২৭/১১/২০২১ তাৰিখে অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ প্ৰতিষ্ঠা দিৱস শিলিখাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উদযাপন কৰা হয়। বিদ্যালয়খনৰ বিষয়-শিক্ষক মহিম আচাৰ্যই সভাপতিত্ব কৰা সভাখনত বিদ্যালয়খনৰ অধ্যক্ষ বুধীন গোহাঁইয়ে আদৰণি ভাষণ প্ৰদান কৰে। সভাৰ আৰম্ভণিত গণিতৰ প্ৰয়োজনীয়তা, সুন্দৰতা আৰু মাহাত্ম্যৰ বিষয়ে বৰ্ণনা কৰা 'অসম গণিত শিক্ষায়তন'ৰ প্ৰতিকী গীত "যিদিনাই মানুহৰ মুকলি হ'ল, দুখনি হাত/ সাৰ পালে গীত, সাৰ পালে গণিত/ দুয়োটি আমাৰ আছে ধমনীত" অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ সম্পাদিকা অনামিকা গগৈৰ পৰিচালনাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰে। অনামিকা গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অসম গণিত শিক্ষায়তনৰ জন্মৰ সম্পৰ্কে অৱগত কৰে আৰু গণিত বিষয়টো জনপ্ৰিয় কৰি ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী কৰি তোলাৰ লগতে গণিতৰ গৱেষণাৰ বাবে উৎসাহ যোগোৱাটোৱেই ইয়াৰ মূল লক্ষ্য বুলি জনায়। তেওঁ আৰু জনায় যে অসম গণিত শিক্ষায়তনে অসমত গণিত অলিম্পিয়াড অনুষ্ঠিত কৰি অহাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰশিক্ষণৰো ব্যৱস্থা বিভিন্ন কেন্দ্ৰত কৰি আহিছে।

সভাৰ নিৰ্দিষ্ট বক্তা তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° ভীম প্ৰসাদ শৰ্মাই "গণিতৰ লগত খেলো আহা" শীৰ্ষক আলোচনাৰে সকলো ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীকো উপকৃত কৰে। ত্ৰিকোণমিতি বিষয়টো কেনেদৰে সহজতে আয়ত্ব কৰিব পাৰি সেই বিষয়ে তেওঁ আলোচনা আগবঢ়ায় আৰু গণিত বিষয়টো পঢ়ি জীৱনত কেনেদৰে আগুৱাই যাব পাৰি সেই সম্পৰ্কতো আলোকপাত কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতৰ গৱেষক-ছাত্ৰ নবিন শিখৰেলে ভৱিষ্যৎ জীৱন গঢ়াত গণিতে কিদৰে সহায় কৰে তাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপ্ত শিক্ষক হিৰণ্য কুমাৰ নাথক সভাত সম্বৰ্দ্ধনা জনোৱা হয় আৰু জিলা কৃতী শিক্ষক বঁটা প্ৰাপ্ত শিক্ষক শশী উপাধ্যায়, বাসুদেৱ বাচকটা আৰু অনামিকা গগৈক সম্বৰ্দ্ধনা জনোৱা হয়। অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ সদস্যসকলৰ লগতে বিদ্যালয়খনৰ শিক্ষকসকলে বিদ্যালয়খনৰ চৌহদত বৃক্ষৰোপন কৰি পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাৰ সজাগতাত অনা কাৰ্যত যোগদান কৰে। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ইনু খাউণ্ডে বিদ্যালয়খনক লৈ লিখা এটি গীত ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰে আৰু অধ্যক্ষ বুধীন গোহাঁইয়ে সেই গীতটি বিদ্যালয়খনৰ প্ৰতীকী গীত হিচাপে ঘোষণা কৰে। সভাত শ্ৰীনিবাস ৰামানুজনৰ জীৱনক লৈ হোৱা বক্তৃতা প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সেই বিদ্যালয়ৰে ছাত্ৰী পাংখী প্ৰিয়া মহন্তই সুন্দৰ কবিতা আবৃত্তি কৰে আৰু ৰাষ্ট্ৰীয় সংগীত পৰিবেশন কৰি সভা ভংগ কৰা হয়।




**খ)** ২২/১২/২০২১ তাৰিখে বিশ্ববিখ্যাত গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ জন্ম দিৱস উপলক্ষে অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ উদ্যোগত শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহত গণিতৰ কুইজ, গণিতৰ খেল আৰু গণিতৰ বক্তৃতা আদিৰে উদযাপন কৰা হয়। শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাই কেন্দ্ৰীয়ভাবে ফখৰুদ্দিন আলী আহমেদ হাইস্কুল বৰঘাট বিদ্যালয়ৰ প্ৰাংগণত ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰে।












তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° ভীম প্ৰসাদ শৰ্মাই ৰামানুজনৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত সকলোৱে গণিতজ্ঞগৰাকীৰ প্ৰতি পুষ্পাঞ্জালিৰে শ্ৰদ্ধা জনায়। লগতে শোণিতপুৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তৰুণ চন্দ্ৰ বৰাৰ আকস্মিক বিয়োগত সকলোৱে দুখ প্ৰকাশ কৰি তেওঁৰ বিদেহী আত্মাৰ চিৰ শান্তিৰ বাবে এক মিনিট প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়াল-বৰ্গলৈ সমবেদনা জনায়। বিদ্যালয়খনৰ ছাত্ৰ বাহাৰুল ইছলামৰ বৰগীতেৰে আৰম্ভ কৰা সভাখনত সেই বিদ্যালয়ৰ প্ৰধান শিক্ষক খাইৰুল আকবে সভাপতিত্ব কৰে। অনামিকা গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে অসম গণিত শিক্ষায়তন জন্মৰ বিৰৰণ, কাম-কাজৰ বিষয়ে জনোৱাৰ লগতে অসম গণিত শিক্ষায়তনৰ প্ৰতিকী গীতটি আবৃত্তি কৰে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অসম গণিত শিক্ষায়তন শোণিতপুৰ জিলা শাখাৰ সভাপতি তথা দৰং মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ৰামচৰণ ডেকাই ছাত্ৰ-ছাত্ৰী উপযোগী আৰু মনোগ্ৰাহী হোৱাকৈ "সংখ্যা প্ৰণালী, পূৰণ, গুণিতক" বিষয়ক সুন্দৰ আলোচনা আগবঢ়ায়। ড° ভীম প্ৰসাদ শৰ্মাই 'হাৰ্ডি-ৰামানুজন সংখ্যা'ৰ সম্পৰ্কত সুন্দৰ বৰ্ণনা দিয়ে। গণিতজ্ঞজনৰ জীৱনৰ সম্পৰ্কত আলোকপাত কৰে শশী উপাধ্যায়ে। কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° অৰুণ মহন্তই আমাৰ জীৱনত ঘটি থকা কিছুমান ঘটনা আৰু গছ-ফুল আদিতো যে গণিতৰ ব্যৱহাৰ হৈ আছে তাৰ সুন্দৰ বৰ্ণনা আগবঢ়ায়। বিদ্যালয়খনৰ গণিত ক্লাবে প্ৰস্তুত কৰা বিভিন্ন গণিতৰ আৰ্হি প্ৰদৰ্শন কৰা হয় আৰু বিদ্যালয়খনৰ শিক্ষক গংগা আচাৰ্য্যই মন্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ ছাত্ৰী আৰিফা বেগমে বনগীত পৰিবেশন কৰে। বিদ্যালয়খনৰ শিক্ষক আবু চেলিমে সভাখন চলাই নিয়াত সহায় কৰে আৰু ইদ্ৰিছ আলীয়ে শলাগৰ শৰাই আগবঢ়ায়।

অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাৰ সদস্যসকলে নিজৰ নিজৰ বিদ্যালয়ত সুন্দৰ আয়োজনেৰে গণিত দিৱস উদযাপন কৰে। তেজপুৰ চৰকাৰী বালক মাধ্যমিক বিদ্যালয়, তেজপুৰ চৰকাৰী কন্যা মাধ্যমিক, বহুমুখী বিদ্যালয়, বেছেৰিয়া হাইস্কুল, তেজপুৰ গুৰুকুল, ৰঙাগড়া মাধ্যমিক বিদ্যালয়, শংকৰদেৱ শিশু বিদ্যা নিকেতন, গামানি হাইস্কুল আদি জিলাখনৰ সকলো বিদ্যালয়তে গণিত দিৱস সুন্দৰ প্ৰস্তুতিৰে উদযাপন কৰা হয়।

**গ)** ১৪/০৩/২০২২ তাৰিখে অসম গণিত শিক্ষায়তনৰ শোণিতপুৰ জিলা শাখাই কেন্দ্ৰীয়ভাৱে আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস গামানি হাইস্কুল নামেৰীত উদযাপন কৰে। বিদ্যালয়খনৰ ছাত্ৰীসকলে পৰিবেশন কৰা অসম গণিত শিক্ষায়তনৰ প্ৰতিকী গীতেৰে সভাখনি আৰম্ভ কৰা হয়। সেই বিদ্যালয়ৰে প্ৰধান শিক্ষক বলিন নেৱাৰে সভাপতিত্ব কৰা সভাত অনামিকা গগৈয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি জনায় যে ১৪ মাৰ্চ তাৰিখটো পাই ($\pi$) দিৱস হিচাপেও উদযাপন কৰা হয়। UNESCOৰ ৪০ তম সাধাৰণ সভাত, ২০১৯ চনৰ নৱেম্বৰ মাহত, এই দিনটোক

আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে ঘোষণা কৰা হয়।

সভাত বিশিষ্ট অতিথি তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° সুভম সেনে দিনটোৰ তাৎপৰ্য্যৰ বিষয়ে আলোচনা কৰে আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিতবিজ্ঞান বিভাগৰ অধ্যাপক ড° বিপুল শৰ্মাই গণিতৰ খেল দেখুৱাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দৰ সৃষ্টি কৰে। সভাত বিশিষ্ট বক্তা ড° ৰামচৰণ ডেকাই গুণিতক, লঃসাঃগুঃৰ বিষয় কেনেদৰে সহজে আয়ত্ব কৰিব পাৰি শিকোৱাৰ লগতে পাই($\pi$)ৰ মান উলিয়াবলৈ কেনেদৰে গণিতৰ মডেল সাজিব পাৰি ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। বিদ্যালয়খনৰ ছাত্ৰী ৰূপালী কটকীয়ে 'শূন্য'ৰ সম্পৰ্কত হাৰুণ অল ৰছিদে লিখা এটি কবিতা আবৃত্তি কৰে আৰু আন আন ছাত্ৰীসকলে বিভিন্ন জনজাতীয় নৃত্য পৰিৱেশন কৰে। শিক্ষক দীপক শৰ্মাই সভাখন চলাই নিয়াত সহায় কৰে।

তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় গণিত দিৱস দিনজোৰা কাৰ্য্যসূচীৰে উদযাপন কৰা হয়। বিদ্যালয়ৰ ছাত্ৰীসকলে গণিতৰ মহত্বৰ সম্পৰ্কত লিখা গণিতৰ গীত পৰিৱেশন কৰাৰ লগতে ছাত্ৰীসকলৰ মাজত গণিত বিষয়ক আকস্মিক বক্তৃতা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয় আৰু গণিতৰ আৰ্হি প্ৰদৰ্শনীও আয়োজন কৰা হয়। বিদ্যালয়খনৰ ছাত্ৰী জোনালী দাসে শূন্যৰ বিষয়ে লিখা কবিতা আবৃত্তি কৰি সকলোকে আপ্লুত কৰে।

অনামিকা গগৈ

*সাধাৰণ সম্পাদক, শোণিতপুৰ জিলা শাখা*

## Report of Cachar District Branch:

The Department of Mathematics, NIT Silchar in association with Institutions' Innovation Council (IIC 4.0) and Assam Academy of Mathematics Cachar District Branch celebrated the International Day of Mathematics and 3rd Research Scholar Day at NIT Silchar on 14th March 2022 with a day long sequence of events and activities. The worldwide celebration of this day is led by the International Mathematical Union and the theme for this year is "Mathematics Unites". 14th March written in MMDD format is 3-14, which represents the first three significant digits of the irrational number Pi ($\pi$). The inaugural session of the event was presided over by Prof. Sivaji Bandyopadhyay, Director, NIT Silchar in presence of Prof. Srimanta Baishya, Dean (R&C), NIT Silchar, Dr. Ganti Ramesh, HOD Mathematics, NIT Silchar, Prof. Rajat Gupta, President IIC 4.0, Prof. M. Ali Ahmed, Dean, Planning & Development, NIT Silchar, Dr. Wasim Arif, Convener IIC 4.0 and Dr. Debashish Sharma, General Secretary, AAM Cachar District. The inaugural session was virtually graced by Prof. Madhavan Mukund, Director, Chennai Mathematical Institute as the Chief Guest and by Prof. Debraj Chakrabarti, Professor of Mathematics, Central Michigan University, USA as the Guest of Honour. The session began with the lighting of the ceremonial lamp followed by the felicitation of the dignitaries. Speaking on the occasion, the dignitaries highlighted the importance of mathematics in various fields ranging from science and technology to humanities, commerce and industry. The event was attended online and offline by around hundred and twenty teachers, students and research scholars from various institutes namely, NIT Silchar, Gurucharan College, Cachar College, CCJC Palonghat HS School, KV ONGC, T.T. College and DIET Karimganj. Prof. Sivaji Bandyopadhyay, Director, NIT Silchar in his inaugural address narrated that mathematics is essential in all technological developments including AI, ML and other computing applications today. He congratulated all the participants and declared the event OPEN.

The first keynote address was delivered online by Prof. Debraj Chakrabarti, Central Michigan University on the topic "The flat earth society: Conformal Mapping through the ages". The second keynote address was delivered online by Prof. Madhavan Mukund on the topic "Computing as a Mathematical Science". The post-lunch session began with a motivational talk by Dr. Santan Kumar, Assistant Professor, Department of Math-

ematics, NIT Silchar on the theme "Mathematical Innovation for Science and Technology". It was followed with a presentation on "Research and career opportunities in mathematics at NIT Silchar and other institutes" by Mr. Rishab Mittal, Research Scholar, Department of Mathematics, NIT Silchar. The final presentation was an Innovative Mathematical Activity on Pigeonhole Principle by Dr. Debashish Sharma, Assistant Professor, Department of Mathematics, Gurucharan College, Silchar.

The Valedictory Session was presided over by Prof. Rajat Gupta, President, IIC 4.0, NIT Silchar in presence of Prof. Srimanta Baishya, Dean R&C, NIT Silchar and Dr. Ganti Ramesh, HOD Mathematics, NIT Silchar. The General Secretary of AAM Cachar District, Dr. Debashish Sharma announced that as a part of its effort in popularizing mathematics, the AAM Cachar District has constituted cash awards to be given every year from 2020 onwards to the students having excellent results in Mathematics as a major subject in B.Sc. and M.Sc. courses under Assam University and NIT Silchar. Cash prizes and certificates were awarded for the year 2020 to Ms. Annesha Sen and Ankita Purkayastha for 1st and 2nd ranks in B.Sc Mathematics Honours, Mr. Chinmoy Deb and Mr. Abhi Das for 1st and 2nd ranks in M.Sc. Mathematics under Assam University and Ms. Afsana Zannat Ahmed and Ms. Sakshi Gupta for 1st and 2nd Highest marks in M.Sc. Mathematics under NIT Silchar. The valedictory session ended with the distribution of certificates of participation to all the students who attended the event by Prof. Rajat Gupta and Prof. Srimanta Baishya. The vote of thanks was conveyed by Dr. Kedar Nath Das, Assistant Professor, Department of Mathematics, NIT Silchar.

All the students and participants have enjoyed the entire day full of innovative mathematical activities and wish to celebrate the day in future with the same spirit and enthusiasm.

Dr. Debashish Sharma

*General Secretary, Cachar Distrct Branch*

## ০৪/০৩/২০২২ তাৰিখে অফলাইন আৰু অনলাইন দুয়ো ধৰণে কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা অসম গণিত শিক্ষায়তনৰ কাৰ্যকৰী সমিতিৰ বৈঠকৰ দুখন আলোকচিত্ৰ:



